**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-10-2025
**Time :** 18-45 HRS

***Assamese Evening Bulletin***

**-------------------**

১। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়িক জিম্মা লাভ কৰা পাঁচজন অভিযুক্তক বাক্সা জিলাৰ নিকাছিৰ কাৰাগাৰলৈ নিয়াৰ সময়ত হিংসাত্মক পৰিস্থিতি।

২। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে বাক্সা জিলাত আবেলিৰ পৰা সান্ধ্য আইন জাৰি আৰু সন্ধিয়াৰ পৰা মোবাইল ইণ্টাৰনেট সেৱা কৰ্তন।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত সন্দৰ্ভত নতুন দিল্লীত ছিংগাপুৰৰ উচ্চায়ুক্তৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক।

৪। এ ডি আৰ ইৰ চতুৰ্থবৰ্গৰ পদসমূহৰ ফলাফল ঘোষণা। ***আৰু***

৫। ৰাষ্ট্ৰীয় ধপাত নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অধীনত আজিৰে পৰা ৰাজ্যৰ বিভিন্ন জিলাত তৃতীয় পৰ্যায়ৰ ধপাতমুক্ত যুৱ অভিযান ৰূপায়ণ।

০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়িক জিম্মা লাভ কৰা অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজনক আজি বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত উদ্ভৱ হোৱা পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে সমগ জিলাখনত আবেলিৰ পৰা সান্ধ্য আইন জাৰি কৰা হৈছে আৰু সন্ধিয়াৰ পৰা জিলাখনত মোবাইল ইণ্টাৰনেট সেৱা কৰ্তন কৰা হৈছে। আমাৰ বাক্সাৰ সংবাদদাতাই জনোৱা মতে আজি দুপৰীয়াৰ ভাগত অভিযুক্তকেইজনক গুৱাহাটীৰ পৰা কাৰাগাৰলৈ লৈ গৈ থকা অৱস্থাত নিকাছিৰ কাৰাগাৰৰ প্ৰৱেশদ্বাৰৰ সমীপত আৰক্ষীৰ বাহনক লক্ষ্য কৰি স্থানীয় একাংশ লোকে আক্ৰমণ কৰাৰ লগতে আৰক্ষীৰ বাহনতো আক্ৰমণ কৰাৰ ফলত হঠাৎ পৰিস্থিতি জটিল হৈ পৰে। উত্তেজিত লোকসকলে আৰক্ষীৰ গাড়ীলৈ শিল দলিওৱাৰ উপৰি আৰক্ষী আৰু সংবাদ মাধ্যমৰ কেইবাখনো বাহনত অগ্নিসংযোগ কৰে। আটাইকেইজন অভিযুক্তক কাৰাগাৰৰ বাহিৰলৈ উলিয়াই দিয়াৰ দাবী জনাই ভালেসংখ্যক লোকে প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছত আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত হতাহতি হয়। ইপিনে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে প্ৰথমে কন্দুৱা গেছ প্ৰয়োগ কৰে যদিও পৰিস্থিতি নিয়ন্ত্ৰণ নোহোৱাত শূন্যলৈ গুলীচালনা কৰিবলগীয়া হয়। গুলীচালনাত এজন লোক গুলীবিদ্ধ হোৱাৰ বাতৰি পোৱা গৈছে। প্ৰতিবাদকাৰীৰ আক্ৰমণত মহিলা আৰক্ষীসহ কেইবাজনো জোৱান আৰু সাংবাদিক আহত হৈছে। স্থানীয় আৰক্ষী প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব নোৱাৰাত দৰং, বৰপেটা আৰু নলবাৰীৰ পৰা অতিৰিক্ত নিৰাপত্তাৰক্ষীৰ দলৰ লগতে অৰ্ধসামৰিক বাহিনী প্ৰেৰণ কৰা হৈছে। গুৱাহাটীৰ পৰা গৃহ বিভাগৰ শীৰ্ষ বিষয়াৰ এটা দলো ঘটনাস্থলীলৈ ইতিমধ্যে ৰাওনা হৈছে। প্ৰতিবাদকাৰীসকলে ঘটনাস্থলীলৈ ৰাওনা হোৱা আৰক্ষী বিষয়াক ঘটনাস্থলীৰ কিছু দূৰৈত আৱদ্ধ কৰি ৰখাৰো বাতৰি আহিছে। পৰিস্থিতিৰ অধিক অৱনতি ঘটাৰ পৰিপ্ৰেক্ষিতত

বাক্সা জিলাত সান্ধ্য আইন জাৰি কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দিল্লীৰ পৰা প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এই ঘটনাক দুখজনক আখ্যা দিছে। নিকাছিৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত আমাৰ বাক্সাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে জনাইছে।

**ভইচ (দামোদৰ তালুকদাৰ)**

ইপিনে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত আজি এছ আই টিয়ে পুনৰ তিনিগৰাকী প্ৰবাসী অসমীয়া সুস্মিতা গোস্বামী, প্ৰীতম ভূঞা আৰু দেৱজ্যোতি হাজৰিকাৰ ভাষ্য গ্ৰহণ কৰে। এছ আই টিয়ে তিনিওজন প্ৰবাসী অসমীয়াক চি আই দি কাৰ্যালয়ত সোধা-পোছা কৰে। এই সন্দৰ্ভত এছ আই টিৰ মুৰববী তথা বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই সংবাদ মাধ্যমৰ আগত কয়, যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত বৰ্তমানলৈকে ১১ গৰাকী প্ৰবাসী অসমীয়াই চি আই ডিৰ কাৰ্যালয়ত সাক্ষ্য প্ৰদান কৰিছে। তেওঁ কয় যে বৰ্তমান ছিংগাপুৰৰ নাগৰিকত্ব লোৱা ৱাজিদ আহমেদ সাক্ষ্য দিবলৈ বাকী আছে আৰু তেওঁ সাক্ষ্য দিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। এই ঘটনাৰ তদন্তৰ বাবে ভাৰতীয় উচ্চায়ুক্তৰ জৰিয়তে ছিংগাপুৰ কৰ্তৃপক্ষৰ পৰা ই-মেইল লাভ কৰা বুলি প্ৰকাশ কৰি বিশেষ সঞ্চালক প্ৰধানগৰাকীয়ে কয়, যে ছিংগাপুৰ কৰ্তৃপক্ষই কোন কোন বিষয়া তদন্তৰ বাবে যাব আৰু কি কি বিষয়ৰ তদন্ত কৰিব সেই বিষয়ে জানিব বিচাৰিছে। ছিংগাপুৰ কৰ্তৃপক্ষৰ পৰা তদন্ত সন্দৰ্ভত সেউজ সংকেত পোৱা যাব বুলি শ্ৰীগুপ্তাই আশা প্ৰকাশ কৰে।

ইপিনে বিভিন্ন মাধ্যমত বিয়পি পৰা জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন ভুৱা বুলি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগে স্পষ্ট কৰি দিছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিশেষ সঞ্চালক প্ৰধান মুন্না প্ৰসাদ গুপ্তাই কয়, যে সামাজিক মাধ্যমত বিয়পি পৰা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনখনত কোনো চিকিৎসকৰ স্বাক্ষৰ নাই। স্বাক্ষৰ নথকা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন কেতিয়াও সত্য হ'ব নোৱাৰে বুলি তেওঁ মন্তব্য কৰে। বিষয়টো লৈ তদন্ত কৰা হ'ব বুলি উল্লেখ কৰি শ্ৰীগুপ্তাই ভুৱা বাতৰি প্ৰচাৰ নকৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। অপপ্ৰচাৰ চলোৱাসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি তেওঁ সকীয়াই দিয়ে।

০০০০

ইয়াৰ আগতে আজি আগবেলা জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাত অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাক আজি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়। আদালতে আটাইকেইগৰাকীৰে আৰক্ষী জিম্মাৰ ম্যাদ অন্ত পৰাত তেওঁলোকক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে। অভিযুক্তকেইজনক কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত বাক্সা জিলাৰ নিকাছিৰ নৱনিৰ্মিত কাৰাগাৰলৈ লৈ যোৱা হয়।

০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্ত সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীৰ অসম ভৱনত ছিংগাপুৰৰ উচ্চায়ুক্তৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকৰ অন্তত ড০ শৰ্মাই সাংবাদিকৰ আগত ছিংগাপুৰ আৰক্ষীয়ে শীঘ্ৰেই তদন্তৰ সবিশেষ প্ৰকাশ কৰিব বুলি জানিবলৈ দিয়ে। ছিংগাপুৰ আৰক্ষীয়ে অনুমতি দিলে তদন্তৰ বাবে এছ আই টিৰ দল অতি সোনকালে ছিংগাপুৰলৈ যাব বুলিও মুখ্যমন্ত্ৰীয়ে লগতে প্ৰকাশ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত পেছাদাৰীভাৱে চলিছে বুলি উল্লেখ কৰি তেওঁ অসমবাসীক ধৈৰ্য ধৰিবলৈ আৰু চৰকাৰ তথা ন্যায়ালয়ৰ ওপৰত আস্থা ৰাখিবলৈ আহ্বান জনায়।

## বাইট (চি এম)

এটা মহলে নিৰ্বাচনৰ পূৰ্বে অসমক অশান্ত কৰাৰ চেষ্টা চলাই আহিছে বুলি উল্লেখ কৰি বাক্সাৰ নিকাছিৰ ঘটনা ইয়াৰে অংশ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। আজিৰ বাক্সাৰ ঘটনাক অতি দুখজনক আখ্যা দি মুখ্যমন্ত্ৰীয়ে কাৰোবাৰ উচতনিত ৰাইজক আইন হাতত তুলি নল'বলৈ আহ্বান জনায়। নিৰ্ধাৰিত সময়তকৈ আগেয়ে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত অভিযোগনামা দাখিল কৰিব পৰা যাব বুলিও ড০ শৰ্মাই সাংবাদিকৰ আগত কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি নতুন দিল্লীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰকো সাক্ষাৎ কৰে।

০০০০

এ ডি আৰ ইৰ চতুৰ্থবৰ্গৰ পদসমূহৰ ফলাফল আজি ঘোষণা কৰা হয়। সংশ্লিষ্ট ৱেবছাইটত আজি ফলাফলসমূহ প্ৰকাশ কৰা হয়। ইপিনে মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজিৰে পৰা ১৭ অক্টোবৰৰ ভিতৰত স্নাতকোত্তৰ শিক্ষকৰ পদসমূহৰ ফলাফল ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে চলিত মাহৰ ভিতৰতে ৩৫ হাজাৰ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিবলৈ সমৰ্থ হোৱা বুলি উল্লেখ কৰে। ৰাজ্য চৰকাৰে অহা ৫ বছৰত দুই লাখতকৈ অধিক যুৱক-যুৱতীক নিযুক্তি দিয়াৰ বাবে পৰিকল্পনা লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। নৱেম্বৰত আৰক্ষীৰ ভালেমান পদত নিযুক্তিৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

০০০০

অসম চৰকাৰে নিবনুৱা যুৱক-যুৱতীক স্বাৱলম্বী কৰাৰ লগতে দক্ষ চালক গঢ় দিয়াৰ বাবে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিতে  চালক প্ৰশিক্ষন কেন্দ্ৰ স্থাপন কৰিব। ইতিপূৰ্বে ৰাজ্যৰ বাজেটত ইয়াৰ বাবে অনুমোদন দিয়া হৈছে আৰু শীঘ্ৰে এই কেন্দ্ৰসমূহ প্ৰতিষ্ঠা কৰা হ'ব। পৰিবহন মন্ত্ৰী যোগেন মহনে এই বিষয়ে প্ৰকাশ কৰে। ইয়াৰ ফলত বহু যুৱক-যুৱতীয়ে সংস্থাপন লাভ কৰিব। তদুপৰি চালকসকল দক্ষ আৰু প্ৰশিক্ষিত হোৱাৰ ফলত পথ দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস পাব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

বাইট

০০০০০

ৰাষ্ট্ৰীয় ধপাত নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অধীনত আজিৰে পৰা ৰাজ্যৰ বিভিন্ন জিলাত তৃতীয় পৰ্যায়ৰ ধপাতমুক্ত যুৱ অভিযান ৰূপায়ণ কৰা হৈছে। ধেমাজী জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত আৰু জিলা স্বাস্থ্য কমিটিৰ সহযোগত আজি ধেমাজী স্বাস্থ্য ভৱনত এই অভিযান শুভাৰম্ভ কৰা হয়। নৱ প্ৰজন্মৰ সুস্বাস্থ্য নিশ্চিত কৰাৰ লগতে তেওঁলোকক ধপাতমুক্ত জীৱনশৈলী গ্ৰহণ কৰিবলৈ উৎসাহিত কৰাৰ বাবে ৰূপায়ণ কৰিবলৈ লোৱা এই আঁচনিৰ অধীনত অহা ৭ ডিচেম্বৰ পৰ্যন্ত বিভিন্ন সজাগতামূলক কাৰ্যসূচী লোৱা হ'ব। আজি শুভাৰম্ভ উপলক্ষে জিলাখনৰ বিভিন্ন থানাৰ আৰক্ষী  বিষয়া আৰু কৰ্মীৰ উপস্থিতিত চিগাৰেট আৰু অন্যান্য ধপাত জাতীয় সামগ্ৰী আইন ২০০৩ সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়।

দক্ষিণ শালমাৰা মানকাচৰ জিলাতো আজি তৃতীয় ধপাতমুক্ত যুৱ অভিযান শুভাৰম্ভ কৰা হয়। জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ সঞ্জয় কুমাৰ চৌধুৰীয়ে এই অভিযানৰ শুভাৰম্ভ কৰে। মানকাচৰ মহাবিদ্যালয়ত এই ৬০ দিনীয়া কাৰ্যসূচীৰ শুভাৰম্ভ অনুষ্ঠানৰ পিছতে স্বাস্থ্যকৰ্মী আৰু ছাত্ৰ-ছাত্ৰীসকলক লৈ এটা সজাগতা সমদল উলিওৱা হয়।

০০০০

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা - চিবিআইয়ে ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাথনি উন্নয়ন নিগম লিমিটেডৰ গুৱাহাটীৰ আঞ্চলিক কাৰ্যালয়ত কাৰ্যবাহী সঞ্চালক মাইছনাম ৰীতেন কুমাৰ সিঙক উৎকোচ লোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছে। চিবিআইয়ে বিশেষ সূত্ৰৰ পম খেদি ৰুজু কৰা এটা গোচৰমৰ্মে সংস্থাটোৰ গুৱাহাটীৰ কাৰ্যালয়ত অভিযান চলাই ১০ লাখ টকা উৎকোচ গ্ৰহণ কৰি থকা অৱস্থাত বিষয়াজনৰ লগতে এটা ব্যক্তিগত কোম্পানীৰ এজন প্ৰতিনিধিক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা দুয়োজন লোকক আজি গুৱাহাটীৰ চিবিআইৰ বিশেষ আদালতত হাজিৰ কৰা হয়।

০০০০

ৰাজ্য চৰকাৰে যোৱা এপ্ৰিলত অনুষ্ঠিত কৰা ঝুমইৰ বিনন্দিনী শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰা চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলক কাইলৈ সম্বৰ্ধনা জনোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। কাইলৈ দিনৰ ১১ বজাত খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, সাংস্কৃতিক মন্ত্ৰী বিমল বৰাৰ লগতে কেইবাগৰাকীও সাংসদ আৰু বিধায়ক উপস্থিত থাকিব। চৰকাৰে সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰা চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলক যোৱা ছেপ্তেম্বৰত মাননি প্ৰদানৰ বাবে চিন্তা-চৰ্চা কৰিছিল যদিও বিভিন্ন কাৰণত সেয়া সম্ভৱ নহ'ল। সেয়ে কাইলৈ এইসকল যুৱক-যুৱতীক গুৱাহাটীত সম্বৰ্ধনা জনোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰিছে।

ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া সম জিলা আয়ুক্ত কাৰ্যালয়ত কালি ঝুমইৰ বিনন্দিনী অনুষ্ঠানত অংশগ্ৰহণকাৰী প্ৰশিক্ষক আৰু নৃত্যশিল্পীসকলৰ মাজত চেক বিতৰণ সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। কাইলৈ গুৱাহাটীত হ'বলগীয়া অনুষ্ঠানত অংশ ল'বলৈ শিল্পীসকল যোৱা সন্দৰ্ভত বৈঠকত আলোচনা কৰা হয়। নাহৰকটীয়া

সম জিলাৰ আয়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে এই বৈঠকত অংশ লয়।

০০০০

দৰদী শিল্পী জয়ন্ত হাজৰিকাৰ ৪৮ সংখ্যক স্মৃতি দিৱস আজি স্বেচ্ছাসেৱী সংগঠন ব্যতিক্ৰম গোট আৰু জয়ন্ত হাজৰিকা সৃষ্ট সুৰ বাহিনীৰ উদ্যোগত মাছখোৱাৰ প্ৰাগজ্যোতিষ সাংস্কৃতিক প্ৰকল্পত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হয়। অনুষ্ঠানত গুৱাহাটীস্থিত বাংলাদেশৰ উপ উচ্চায়ুক্ত জিক্ৰুল হাছান ফাহাদ, অধ্যাপক ঊষা ৰঞ্জন ভট্টাচাৰ্য, বিশিষ্ট সংগীত শিল্পী জে পি দাস, জয়ন্ত হাজৰিকাৰ সহধৰ্মিনী তথা সংগীত শিল্পী মনিষা হাজৰিকা, দৈনিক যুগশঙ্খ কাকতৰ সম্পাদক বিকাশ সৰকাৰকে ধৰি কেইবাগৰাকীও বিশিষ্ট বক্তাই জয়ন্ত হাজৰিকাৰ অসামান্য সাংগীতিক প্ৰতিভাৰ মূল্যায়ন কৰে। আজিৰ অনুষ্ঠানতে কাৰ্বি আংলঙৰ বিশিষ্ট লোকসংগীত শিল্পী পখিলা লেকথেপিক জীৱনযোৱা সাধনা বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি চাৰিগৰাকী চিত্ৰশিল্পীয়ে জয়ন্ত হাজৰিকাৰ সৃষ্টি বিষয়ক চিত্ৰ অংকন কৰে। অনুষ্ঠানত চিত্ৰশিল্পী মৌচুমী বৰঠাকুৰ, মানস তালুকদাৰ, ফাৰনাজ আহমেদ আৰু কুকিমা কাকতিক সম্বৰ্ধনা জনোৱা হয়।

০০০০

অসম চৰকাৰে ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিক সামৰি ৰূপায়ণ কৰা **শুশ্ৰূষা সেঁতু** শীৰ্ষক বৃহৎ স্বাস্থ্য শিবিৰ কাৰ্যসূচীৰ অধীনত আজিও বিভিন্ন জিলাত শিবিৰ মুকলি কৰা হয়। ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত পি এম শ্ৰী নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি বিধায়ক তৰংগ গগৈয়ে এই শিবিৰ উদ্বোধন কৰে। এই স্বাস্থ্য শিবিৰত সমষ্টিটোৰ ২৩৮ খনৰো অধিক বিদ্যালয় আৰু ৩০০টা

অংগনৱাড়ী কেন্দ্ৰৰ শিশু আৰু কিশোৰ-কিশোৰীসকলক বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। জিলাখনত অহা ২৫ অক্টোবৰত টিংখং বিধানসভা সমষ্টিৰ অন্তৰ্গত বামুণবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, ২৭ অক্টোবৰত খোৱাঙৰ কুটুহা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ৩০ অক্টোবৰত দুলীয়াজান বিহুতলীত অন্তিমটো স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব।

ওদালগুৰি জিলাৰ টংলা সমষ্টিৰ অন্তৰ্গত টংলা উচ্চতম মাধ্যমিক বিদ্যালয়ত পৰহিলৈ বৃহৎ স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হৈছে।

ৰাজ্যজুৰি অনুষ্ঠিত **শুশ্ৰূষা সেতু** শীৰ্ষক এই শিবিৰত এই পৰ্যন্ত লক্ষাধিক শিশু আৰু কিশোৰ-কিশোৰীক চিকিৎসা সেৱা প্ৰদান কৰা হৈছে। কালি পৰ্যন্ত ৰাজ্যৰ ৩৯টা সমষ্টিভিত্তিক স্বাস্থ্য মেলাত ১০ হাজাৰৰো অধিক ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীক প্ৰাথমিক পৰ্যায়ৰ চিকিৎসা প্ৰদান কৰা হৈছে বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। ডিমা হাচাও জিলাৰ এন এল দাউলাগুপু ক্ৰীড়া প্ৰকল্পত আজি বৃহৎ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়।

০০০০

আই আই টি গুৱাহাটীত আজি নিটি আয়োগৰ সহযোগত দুদিনীয়া কৰ্মশালা অনুষ্ঠিত হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিখন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, চি এফ টি এৰ সঞ্চালক, বিহাৰ আৰু পশ্চিমবংগৰ বিশ্ববিদ্যালয়সমূহৰ উপাচাৰ্য আৰু চি এফ টি এৰ সঞ্চালকে অংশগ্ৰহণ কৰে। ৰাজ্যত বিজ্ঞানৰ দ্ৰুত প্ৰসাৰৰ বাবে গৱেষণা আৰু উন্নয়নৰ সূচলতা শীৰ্ষক বিষয়ত অনুষ্ঠিত এই কৰ্মশালা আই আই টি গুৱাহাটীৰ সঞ্চালক ডং দেবেন্দ্ৰ জালিহালে শুভাৰম্ভ কৰে। অনুষ্ঠানত নিটি আয়োগৰ জ্যেষ্ঠ পৰামৰ্শদাতা অধ্যাপক বিবেক কুমাৰ সিং, বৌদ্ধ গয়া আই আই এমৰ সঞ্চালক ডং বিনিতা সাহা আৰু ভাৰতীয় পৰিসংখ্যা প্ৰতিষ্ঠানৰ সঞ্চালক ডং সংঘামিতা বংগোপাধ্যায় উপস্থিত থাকে।

০০০০

অসমত ৰে'ল সেৱা বিশেষকৈ যাত্ৰীবাহী ৰে'ল সেৱাক অধিক জনমুখী কৰা সন্দৰ্ভত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১৮ অক্টোবৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ প্ৰাক্তন মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া ছিতু সিং হাজং, সাংবাদিক ত্ৰিদীপ লহকৰ আৰু অসম ৰে'লযাত্ৰী সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল সেৱাৰ সাম্প্ৰতিক অৱস্থা সম্পৰ্কত আলোচনা কৰিব। এই আলোচনাৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ